**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-01-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

## Headlines (20-01-2025) 0900 Hrs.

১। বিদেশী বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ উদ্দেশ্যে দক্ষিণ কোৰিয়ালৈ যোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ছিউলত সেইদেশৰ চৰকাৰৰ প্ৰতিনিধিৰ সৈতে আলোচনা।

২। ২০১৮-১৯ বিত্তীয় বৰ্ষৰ তুলনাত ৰাজ্য চৰকাৰৰ নিজস্ব ৰাজহ সংগ্ৰহ ৫০ শতাংশ পৰ্যন্ত বৃদ্ধি হোৱা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দাবী।

৩। মাধ্যমিক শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে অসম চৰকাৰৰ আঢ়ৈ হাজাৰ কোটি টকাৰ আঁচনি গ্ৰহণ।

৪। গুৰু দুজনাৰ সৃষ্টিৰাজি সংৰক্ষণৰ বাবে চৰকাৰ দায়বদ্ধ বুলি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ প্ৰকাশ।

*আৰু*

৫। আই চি চি ১৯ বছৰ অনুৰ্ধ মহিলাৰ টি-টুৱেণ্টী বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত যোৱাবাৰৰ বিজয়ী ভাৰতৰ ৯ উইকেটত জয়লাভ।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কালি দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলত উপস্থিত হয়। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যৰে দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে কালি দক্ষিণ কোৰিয়া চৰকাৰৰ বিভিন্ন প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হোৱাৰ লগতে ৰাষ্ট্ৰখনৰ বানপ' হানংগা নদী উদ্যান পৰিদৰ্শন কৰে। গুৱাহাটী মহানগৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰতো একেধৰণৰ চিন্তা তথা দৰ্শনেৰে গুৱাহাটী ৰিভাৰ ফ্ৰণ্ট প্ৰকল্প নিৰ্মাণ কৰি থকা হৈছে আৰু শীঘ্ৰে উদ্যানখন ৰাইজৰ বাবে মুকলি কৰি দিয়া হ'ব বুলি তেওঁ সামাজিক মাধ্যমযোগে সদৰি কৰিছে।

দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি মুখ্যমন্ত্ৰীয়ে অসমলৈ বিনিয়োগ বিচাৰি টকিঅ'ত উদ্যোগপতি তথা ব্যৱসায়িক নেতৃত্বৰ সৈতেও আলোচনাত মিলিত হ'ব। লগতে ড° শৰ্মাই দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে অসমত এক্ট-ইষ্ট নীতিক সুদৃঢ় কৰাৰো প্ৰয়াস কৰিব। জাপান আৰু দক্ষিণ কোৰিয়া ভ্ৰমণৰ অন্তত অহা ১০ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীগৰাকী ছিংগাপুৰলৈ ৰাওনা হ'ব।

০০০০০

২০১৮-১৯ বিত্তীয় বৰ্ষৰ তুলনাত শেহতীয়াকৈ ৰাজ্য চৰকাৰৰ নিজস্ব ৰাজহ সংগ্ৰহ ৫০ শতাংশ পৰ্যন্ত বৃদ্ধি হোৱা বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই দাবী কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি ২০১৮-১৯ বৰ্ষত অসম চৰকাৰৰ মুঠ নিজা ৰাজহ ২৪ হাজাৰ ১৪৬ কোটি টকা আৰু ২০২০-২১ বৰ্ষত ২০ হাজাৰ ৩৩ কোটি আছিল যদিও ২০২১-২২ বৰ্ষত সেই পৰিমাণ ২৩ হাজাৰ ১১৩ কোটি টকা, ২০২২-২৩ বৰ্ষত ৩০ হাজাৰ ২৬৩ কোটি টকা আৰু ২০২৩-২৪ বৰ্ষত ৩৪ হাজাৰ ৮১ কোটি টকালৈ বৃদ্ধি পায়। ২০২৪-২৫ বিত্তীয় বৰ্ষ সম্পূৰ্ণ হোৱালৈ এই পৰিমাণ ৩৬ হাজাৰ কোটি টকা অতিক্ৰম কৰাৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগত নতুনকৈ নিযুক্তি দিবলগীয়া মেকানিকেল শাখাৰ ১৮ গৰাকী সহকাৰী অভিযন্তাক নিযুক্তিপত্ৰ প্ৰদানৰ উদ্দেশ্যে আজি এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ দিছপুৰত অৱস্থিত লোকনিৰ্মাণ বিভাগৰ সন্মিলন তথা প্ৰশিক্ষণ কেন্দ্ৰত পুৱা ১০ বজাত আয়োজিত এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ লোক নিৰ্মাণ পথ ইত্যাদি বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ৰাজ্য চৰকাৰে ৰূপায়ণ কৰি থকা স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে বিগত বৰ্ষৰ ৭ অক্টোবৰ পৰ্যন্ত এক লাখ ২৫ হাজাৰ ৩০ গৰাকী শিক্ষিত নিবনুৱাক নিযুক্তি দিয়া হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

মাধ্যমিক শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে চৰকাৰে আঢ়ৈ হাজাৰ কোটি টকাৰ আঁচনি গ্ৰহণ কৰা বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি উল্লেখ কৰে। বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপন অনুষ্ঠানৰ কালি তৃতীয় তথা সামৰণিৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিক্ষামন্ত্ৰীয়ে এই ঘোষণা কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত শিক্ষা খণ্ডত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মাজেৰে বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ প্ৰয়াস কৰা হৈছে। চৰকাৰে ৰাজ্যৰ মাধ্যমিক শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে ২০২৪-২৫ বিত্তীয় বৰ্ষত আঢ়ৈ হাজাৰ কোটি টকাৰ আঁচনিৰ অধীনত দুহেজাৰ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুনৰ নিৰ্মাণৰ কথা ভবা হৈছে। ইয়াৰে ৩৮৭ খন বিদ্যালয়ৰ ভৱনৰ আন্তঃগাঁথনিৰ কাম এই বৰ্ষতে সম্পূৰ্ণ হৈ উঠিব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালি বিশিষ্ট লেখক, চিন্তাবিদ ময়ুৰ বৰাই বিখ্যাত চিত্ৰ ভাস্কৰ্য শিল্পী তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডº ৰঞ্জিত কুমাৰ বৰুৱাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাজীৱনৰ পৰিক্ৰমাক লৈ অংকন কৰা এলানি চিত্ৰৰ একক প্ৰদৰ্শনী উদ্বোধন কৰে। এই উদ্বোধনী অনুষ্ঠানত ভাষণ দি ময়ুৰ বৰাই কয়, যে ডº ৰঞ্জিত কুমাৰ বৰুৱাই একাগ্ৰতাৰে নিজৰ সৃষ্টিত মগ্ন থাকি সমাজ জীৱনক সমৃদ্ধ কৰিছে। উল্লেখযোগ্য যে গুৰুজনাৰ বিশাল কল্পিত মূৰ্তি নিৰ্মাণ কৰি মধুপুৰ সত্ৰত প্ৰতিষ্ঠা কৰা, বিশ্বৰ বিভিন্ন যাদুঘৰত থকা গুৰুজনাৰ অনন্য সৃষ্টি বৃন্দাবনী বস্ত্ৰ দৰ্শন আৰু অধ্যয়ন কৰি নিজে তাঁতত এই বস্ত্ৰৰ অনুকৃতিমূলক বস্ত্ৰ নিৰ্মাণ কৰি ডº ৰঞ্জিত বৰুৱাই গুৰুজনাৰ প্ৰতি তেওঁৰ ভক্তি আৰু সাধনাৰ গভীৰতাক

প্ৰকাশ কৰিছে। গুৰুজনাৰ জীৱন পৰিক্ৰমাৰ বিভিন্ন উল্লেখযোগ্য মুহূৰ্তৰ ৩২ খন বিশাল আকাৰৰ তৈলচিত্ৰ অংকন কৰি ড° বৰুৱাই তেওঁৰ শিল্প সাধনাৰ অন্য এক অধ্যায় ৰচনা কৰিছে। ড° বৰুৱাৰ এই সাধনাক অসমৰ জাতীয় জীৱনৰ এক উল্লেখযোগ্য অধ্যায় বুলি শ্ৰী বৰাই অভিহিত কৰে। অনুষ্ঠানত উপস্থিত থকা জ্যেষ্ঠ সাংবাদিক সঞ্জীৱ ফুকনে কয়, যে ড° বৰুৱাই চিত্ৰ আৰু ভাস্কৰ্যৰ জৰিয়তে গুৰুজনাক মানুহৰ মাজলৈ আগবঢ়াই দিয়াটো এটা বিৰল পৰিঘটনা। অনুষ্ঠানত কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, সুকুমাৰ কলা পৰিষদ, অসমৰ সঞ্চালকপ্ৰধান ড° মণ্টুমণি দত্ত আদিকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

ooooo

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীত কাইলৈ পেন আই আই টি ৱৰ্ল্ড অব্ টেকন'লজি মিট ২০২৫ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিষ্ঠানটোৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ প্ৰচেষ্টাত হ'বলগীয়া প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় এই সন্মিলনখন কাইলৈ পুৱা ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড০ ৰবি এছ্ কোটাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। গুৱাহাটী প্ৰেছ ক্লাবত কালি আয়োজিত এখন সংবাদ মেলত আই আই টি গুৱাহাটীৰ একাংশ বিষয়ববীয়াই এই কথা জানিবলৈ দি কয়, যে কাইলৈৰ এই অনুষ্ঠানত প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক সঞ্চালক অধ্যাপক ডি এন বুঢ়াগোহাঁই আৰু প্ৰাক্তন সঞ্চালক অধ্যাপক গৌতম বৰুৱাকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

ooooo

ধেমাজিৰ মাছখোৱাত আজি হ'বলগীয়া অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ চতুৰ্থ বাৰ্ষিক অধিবেশনত আকাশবাণী গুৱাহাটী কেন্দ্ৰক অনুপ্ৰেৰণা বঁটা ২০২৫ আগবঢ়োৱা হ'ব। এই অনুষ্ঠানতে আকাশবাণীৰ নিয়মীয়া শ্ৰোতা তথা পত্ৰলেখক বঁটা দেৰগাঁৱৰ মণ্টু বৰুৱা, লখিমপুৰৰ শান্তিৰাণী নাথ বৰুৱা আৰু ধেমাজিৰ দেবদত্তলৈ আগবঢ়োৱা হ'ব। শ্ৰেষ্ঠ ঘোষিকা বঁটা ২০২৫ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা বন্দনা হাজৰিকা আৰু যোৰহাট কেন্দ্ৰৰ ঘোষিকা পূৰবী সভাপণ্ডিত ভট্টাচাৰ্যলৈ আগবঢ়োৱা হ'ব। নগাঁৱৰ প্ৰাঞ্জল শইকীয়াক সংবাদ বন্ধু বঁটা ২০২৫ আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ বৰষা কোঁৱৰক অনুষ্ঠান প্ৰযোজকৰ বঁটা প্ৰদান কৰা হ'ব। এই বঁটাসমূহ অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ তৰফৰ পৰা আগবঢ়োৱা হ'ব।

ooooo

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কালি ঐতিহ্য মণ্ডিত বৰপেটা সত্ৰ দৰ্শন কৰি গুৰু দুজনাৰ সৃষ্টিৰাজি সংৰক্ষণৰ বাবে চৰকাৰ দায়বদ্ধ বুলি প্ৰকাশ কৰে। বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী মথুৰাদাস বুঢ়াআতাৰ ভিঠিত সেৱা জনাই সভাপতিগৰাকীয়ে সত্ৰ চৌহদ পৰিদৰ্শন কৰে। তেওঁ উপস্থিত সাংবাদিকৰ সৈতে বাৰ্তালাপ কৰি কয়, যে গুৰু দুজনাৰ পদৰেণুৰে ৰঞ্জিত বৰপেটা সত্ৰ এখন আধ্যাত্মিক পীঠস্থান এই পীঠস্থানলৈ আহি তেওঁ ধন্য হৈছে বুলি উল্লেখ কৰি কয়, যে অসমৰ সত্ৰ-নামঘৰসমূহৰ উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে পৰিকল্পনা প্ৰস্তুত কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱাৰ সমান্তৰালকৈ বৰপেটা সত্ৰকো উন্নয়নৰ দিশত আগবঢ়াই নিয়াৰ উদ্দেশ্যে বৰপেটা সত্ৰৰ আন্তঃগাঁথনিকে ধৰি সকলো সমস্যা সমাধান আৰু অভাৱ পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়া বুলিও বিজেপিৰ সভাপতিগৰাকীয়ে উল্লেখ কৰে।

ooooo

আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংস্থা গ্ৰীণ এণ্ড গ্ৰীণ ইণ্ডিয়াৰ ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি যোৰহাট আৰু মাজুলীত এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে। অহা ২৫ আৰু ২৬ জানুৱাৰীত যোৰহাটৰ চাউলুং চ্যুকাফা আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আৰু ২৭ জানুৱাৰীত মাজুলীত হ'বলগীয়া এই সন্মিলনত দেশ-বিদেশৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। কালি যোৰহাটত অনুষ্ঠিত এখন সংবাদ মেলত গ্ৰীণ এণ্ড গ্ৰীণ ইণ্ডিয়াৰ সভাপতি বিপুল হাজৰিকাই এই কথা সদৰি কৰে। সংবাদ মেলত তেওঁ কয়, যে ইতিমধ্যে ২৫ বছৰ সম্পূৰ্ণ কৰা এই সংস্থাটোৰ দেশে-বিদেশে এক লাখ ৭২ হাজাৰ ৬৩০ গৰাকী সদস্য আছে। কেডাৰভিত্তিক এই সংস্থাৰ প্ৰতিগৰাকী সদস্যই গছ ৰোপণৰ ক্ষেত্ৰত সেৱা আগবঢ়াই আহিছে। সংস্থাটোৱে গাঁৱে-ভূঞে, নগৰে-চহৰে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা আৰু প্ৰাকৃতিকভাৱে অম্লজান উৎপাদনৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

অহা ২৫ আৰু ২৬ জানুৱাৰীত হ'বলগীয়া এই আন্তৰ্জাতিক সন্মিলনত বহুকেইগৰাকী অতিথিয়ে অংশগ্ৰহণ কৰাৰ লগতে সন্মিলনৰ দেশী-বিদেশী প্ৰতিনিধিসকলে ২৭ জানুৱাৰীত মাজুলীৰ সত্ৰ দৰ্শন কৰি মাজুলীবাসীৰ লগত বাৰ্তালাপত মিলিত হ'ব।

০০০০০

বাক্সা জিলাৰ জালাহৰ তালচিকুৰ সমন্বয়ক্ষেত্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত অসম প্ৰাদেশিক যোগী সন্মিলনীৰ জালাহ অধিৱেশনৰ কালি সামৰণি পৰে। কালি সন্ধিয়া অনুষ্ঠিত মুকলি সভাত মুখ্যমন্ত্ৰীৰ প্ৰতিনিধিৰূপে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু অসম প্ৰদেশ বিজেপিৰ নৱ-নিৰ্বাচিত সভাপতি দিলীপ শইকীয়া  উপস্থিত থাকে। ভাৰতবৰ্ষৰ প্ৰাচীন জনগোষ্ঠী নাথ যোগীসকলে অসমীয়া জাতি গঠনত সদায় সহযোগিতা আগবঢ়াই অহা বুলি উল্লেখ কৰি জনগোষ্ঠীটোৰ সমস্যাসমূহ সমাধানৰ বাবে ৰাজ্য চৰকাৰে চেষ্টা কৰিব বুলি মন্ত্ৰী মল্লবৰুৱাই মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে লগতে বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাত বিজেপিৰ স্থিতি পূৰ্বতকৈ শক্তিশালী হোৱা বুলিও উল্লেখ কৰে।

০০০০০

যোৰহাটৰ মধুমিশ্ৰ সত্ৰৰ প্ৰাক্তন অধিকাৰ শ্ৰীনাথ দেৱগোস্বামী স্মাৰক বক্তৃতা অনুষ্ঠানত কালি অসম সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে বক্তৃতা দিয়ে। যোৰহাট নগৰৰ শংকৰদেৱ কলাকৃষ্টি গৱেষণা কেন্দ্ৰত আয়োজিত এই অনুষ্ঠানত **ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভৰ পাছত জাতিৰ কৰ্তব্য** বিষয়ত বক্তব্য আগবঢ়াই বিশিষ্ট ভাষাবিদ, সাহিত্যিক ড০ বসন্ত কুমাৰ গোস্বামীয়ে কয়, যে অসম চৰকাৰৰ উদ্যোগত অসমীয়াই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিলে। এই স্বীকৃতিয়ে অসমীয়া বৰ্ণমালাৰ প্ৰচীনত্ব নিৰূপনৰ বাট আমাক দেখুৱাই দিলে। ড০ গোস্বামীয়ে কয়, যে অসমত প্ৰান্তীয় ভাষাৰ সাহিত্য ৰচনা ভাৰতৰ ভিতৰতে প্ৰথম বুলি ক'ব পাৰি। আঞ্চলিক ভাষাত মাধৱ কন্দলীয়ে সপ্তকাণ্ড ৰামায়ণ ৰচনা কৰিছিল। অসম সাহিত্য সভাই মাধৱ কন্দলীৰ সপ্তকাণ্ড ৰামায়ণৰ ইংৰাজী আৰু হিন্দী ভাষালৈ অনুবাদ আৰু দক্ষিণ ভাৰতীয় তামিল, তেলেগু, মালায়লাম আদি ভাষালৈ অনুবাদ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। বহুসংখ্যক ব্যক্তি উপস্থিত থকা কালিৰ এই স্মাৰক বক্তৃতা অনুষ্ঠানত প্ৰয়াত গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

০০০০০

News Paper Revew

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে অসমত বিনিয়োগ বৃদ্ধিৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জাপান আৰু দক্ষিণ কোৰিয়াৰ ভ্ৰমণ আৰম্ভ কৰাৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতখনে **ভাৰতৰ বিৰুদ্ধে চীনে আৰম্ভ কৰিছে উদ্যোগিত নিষেধাজ্ঞা** শিৰোনামেৰে এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ থকা অনুসৰি ভাৰতে ম'বাইল ফোন নিৰ্মাণ খণ্ডত লাভ কৰা সফলতা ৰোধ কৰাৰ বাবে দেশখনে ভাৰতৰ উদ্যোগত কৰ্মৰত চীনা কৰ্মচাৰীসকলক ঘূৰাই নিছে।

প্ৰধানমন্ত্ৰীৰ মন কি বাত অনুষ্ঠানত নগাঁৱৰ হাতী-বন্ধুৰ প্ৰশংসা কৰা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৮০০ বিঘা মাটিত নেপিয়াৰ ঘাঁহ খেতিৰে বন্য হস্তীক খাদ্য যোগান ধৰি হাতী-মানুহৰ সংঘাট হ্ৰাস কৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে সংগঠনটোৰ শলাগ লয়।

দ্যা টাইমছ অৱ ইণ্ডিয়া কাকতখনে ইজৰাইলৰ লগত হোৱা শান্তি চুক্তি অনুসৰি তিনিগৰাকী পণবন্দীক হামাছে মুকলি কৰি দিয়া বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ কৰ্মচাৰী পৰিষদৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আলোচনাত মিলিত হৈ শিক্ষকসকলে ৩০ দিনৰ আৰ্জিত ছুটী লাভ কৰাত অনুমোদন জনোৱা বাতৰিটো দৈনিক জনমভূমি কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে ডোনাল্ড ট্ৰাম্পে আজি শপতগ্ৰহণ কৰিব। এই বাতৰিটো আমাৰ অসম কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে। শপতগ্ৰহণ অনুষ্ঠানত ভাৰতৰ হৈ বিদেশ মন্ত্ৰী এছ জয়শংকৰে অংশগ্ৰহণ কৰিব বুলি বাতৰিটোত উল্লেখ আছে।

১৫ জানুৱাৰীত কংগ্ৰেছৰ নতুন কাৰ্যালয় মুকলি অনুষ্ঠানত দেশৰ সাৰ্বভৌমত্ব, অখণ্ডতাৰ প্ৰতি ভাবুকি আনিব পৰা বিতৰ্কিত মন্তব্য কৰাৰ অভিযোগত ৰাহুল গান্ধীৰ বিৰুদ্ধে পাণবজাৰ থানাত এজাহাৰ দাখিলৰ এটা বাতৰি অসমীয়া খবৰ কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতখনে চিলিণ্ডাৰ বিস্ফোৰণৰ ফলত প্ৰয়াগৰাজৰ মহাকুম্ভত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। কাকতখনে প্ৰকাশ কৰা অনুসৰি ঘটনা সন্দৰ্ভত খবৰ ল'বলৈ প্ৰধানমন্ত্ৰী মোদীয়ে মুখ্যমন্ত্ৰী যোগীলৈ ফোনত যোগাযোগ কৰিছে।

দ্যা আছাম ট্ৰিবিউন কাকতখনে ডি জি পি, জি পি সিঙক কালি চি আৰ পি এফৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

কালি অনুষ্ঠিত হোৱা টেট পৰীক্ষাৰ স্নাতক শাখাত ৯১ শতাংশ আৰু স্নাতকোত্তৰ শাখাত প্ৰায় ৯২ শতাংশ প্ৰাৰ্থী অৱতীৰ্ণ হৈছে বুলি নিয়মীয়া বাৰ্তা কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ooooo

শিৱসাগৰ জিলাৰ দিচাংমুখৰ কৃষক পোহাৰাম পাংগিঙে ২০০ বিঘা মাটিত উৎপাদিত অন্যান্য শাক-পাচলিৰ লগতে ৰঙালাউ আৰু কাজি নেমু দেশৰ কেইবাখনো ৰাজ্যৰ লগতে ডুবাইলৈ ৰপ্তানি কৰিবলৈ সমৰ্থ হৈছে। খেতিয়কগৰাকীয়ে বিগত বৰ্ষৰ ডিচেম্বৰ মাহত ২৫ মেট্ৰিক টন পাচলি ডুবাইলৈ প্ৰেৰণ কৰিছিল।

ইতিমধ্যে দিচাংমুখৰ শাক-পাচলিয়ে বিদেশৰ বজাৰত সমাদৰ লাভ কৰিছে। বিগত কেইবাদশক ধৰি দিচাংমুখৰ থলুৱা কৃষকসকলে সীমিত সুবিধাৰে দিখৌ, ব্ৰহ্মপুত্ৰ আৰু দৰিকাৰ চৰ-চাপৰিসমূহত বিভিন্ন ধৰণৰ ৰবি শস্যৰ উৎপাদন কৰি আহিছে। চাপৰিসমূহত উৎপাদন কৰা শাক-পাচলিয়ে শেহতীয়াকৈ বিদেশৰ বজাৰত সমাদৰ লাভ কৰাত কৃষকসকল উৎফুল্লিত হৈ পৰে।

০০০০০

আই চি চিৰ ১৯ বছৰ অনুৰ্ধ মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱাবাৰৰ বিজয়ী ভাৰতে জয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে। কালি কোৱালালামপুৰত অনুষ্ঠিত এখন খেলত  ৱেষ্ট ইণ্ডিজে বান্ধি দিয়া ৪৫ ৰানৰ লক্ষ্য ভাৰতে মাত্ৰ ৪ অভাৰ আৰু ২ টা বলত এটা উইকেট হেৰুৱায়ে অতিক্ৰম কৰে। দুই অভাৰত ৫ ৰান ব্যয় কৰি দুটা উইকেট লাভ কৰা ভাৰতৰ ভি জে যোছিথাক শ্ৰেষ্ঠ খেলুৱৈ বঁটা আগবঢ়োৱা হয়।

ইপিনে গ্ৰুপ-এৰ আন এখন খেলত কালি শ্ৰীলংকাই আয়োজক মালয়েছিয়াক ১৩৯ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ৬টা উইকেট হেৰুৱাই শ্ৰীলংকাই নিৰ্ধাৰণ কৰি দিয়া ১৬৩ ৰানৰ লক্ষ্য অতিক্ৰম কৰিবলৈ গৈ মালয়েছিয়াই মাত্ৰ ২৩ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়।

০০০০০

মহিলা হকী ইণ্ডিয়া লীগৰ এখন খেলত কালি নিশা ওড়িশা ৱাৰিয়ৰ্ছে- শ্ৰাচী ৰাড় বেংগল টাইগাৰ্ছক ৪-১ গ'লত পৰাস্ত কৰে। ৰাউৰকেলাৰ বীৰছা মুণ্ডা হকী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৱাৰিয়ৰ্ছৰ হৈ মিচেল ফিলেক, য়িবিব জানচেন আৰু নেহা গোৰেলে গ'ল দিয়াৰ বিপৰীতে বেংগল টাইগাৰ্ছৰ হৈ উদিতাই এটা গ'ল দিয়ে। এই জয়ৰ জৰিয়তে ৮ পইণ্টেৰে ৱাৰিয়ৰ্ছ পইণ্ট তালিকাৰ শীৰ্ষত আৰোহণ কৰিছে।

ইপিনে, পুৰুষ হকী ইণ্ডিয়া লীগত কালি কলিংগা লেন্সাৰ্ছে পেনাল্টি শ্বুট আউটত দেলহী এছ জি পাইপাৰ্ছক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰথমাৰ্ধত ১-৪ৰ ব্যৱধানত পিছ পৰি থাকিও দলটোৱে দুৰ্দান্ত প্ৰদৰ্শনেৰে সমতা স্থাপন কৰি পেনাল্টি শ্বুট আউটত জয়ী হ'বলৈ সক্ষম হয়।

০০০০০

বতৰৰ বতৰা– ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যৰ বতৰ শুকান হৈ থকাৰ লগতে কোনো কোনো স্থানত কুৱলী পৰাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা জাৰি কৰিছে। আনহাতে, বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে দিনৰ ভাগত আকাশ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ।

০০০০০

সমাপ্ত